**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 28**-06-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
**::::::::::::::::::::::::::::::::::::**

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি শিৱসাগৰত খাদ্য আৰু অসামৰিক যোগান, পঞ্চায়ত আৰু অসম ৰাজ্যিক জীৱিকা অভিযানৰ কাম-কাজৰ পৰ্যালোচনা কৰে। শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চ্যুকাফা ভৱনত অনুষ্ঠিত পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ পাছত মন্ত্ৰী দাসে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত অসমত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নিৰ্ধাৰিত ২০ লাখ ঘৰৰ ভিতৰত ১৮ লাখ ৬০ হাজাৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰে। ইয়াৰ উপৰি তেওঁ বজাৰসমূহৰ মহলদাৰ ব্যৱস্থা সম্পূৰ্ণ ৰূপে বাতিল কৰা হ'ব বুলি জানিবলৈ দিয়ে। বজাৰসমূহত নিবিদা ব্যৱস্থাই সাধাৰণ কৃষকক বিপদত পেলোৱাৰ কথা উল্লেখ কৰি মন্ত্ৰী দাসে এই ব্যৱস্থা বিলুপ্ত কৰা হ'ব বুলি ব্যক্ত কৰে। উচ্চ হাৰৰ নিবিদাৰ ফল ক্ষুদ্ৰ কৃষক ৰাইজে ভুগিবলগা হয় বুলি তেওঁ কয়। নিবিদা বাতিলৰ ফলত চৰকাৰে ৩০ৰ পৰা ৩৫ কোটি টকাৰ ৰাজহ হেৰুৱাব যদিও কৃষকসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই চৰকাৰে এই সিদ্ধান্ত কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বৰ্তমান যিসমূহ বজাৰৰ নিবিদা হৈ গ'ল সেইসমূহ তেনেদৰেই চলি থাকিব যদিও নিবিদা হ'বলগীয়া বজাৰসমূহৰ ক্ষেত্ৰত চৰকাৰে নিয়ন্ত্ৰণ কৰিব, যাতে উচ্চ হাৰত নিবিদা দাখিল কৰিব নোৱাৰে। কেবিনেট উপ-সমিতিৰ সিদ্ধান্ত মৰ্মে ২০২৫ চনৰ এপ্ৰিলৰ পৰা এই ব্যৱস্থা কাৰ্যকৰী হ'ব। শীঘ্ৰেই এই বিষয়ক লৈ জাননী জাৰি কৰা হ'ব বুলিও মন্ত্ৰী ৰঞ্জিত দাসে জানিবলৈ দিয়ে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামাখ্যা মন্দিৰত উপস্থিত হৈ ৰাজ্যবাসীৰ সুখ আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনায়। ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰস্তাৱিত কামাখ্যা ক'ৰিডৰ প্ৰকল্প সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে জনায় যে, নিবিদাৰ পাছত ব্যক্তিগত কোম্পানী এটাই এই প্ৰকল্পটোৰ কাম লাভ কৰিছে। কোম্পানীটোৱে নক্সা আৰু পৰিকল্পনা ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীক প্ৰদান কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানে সকলো পৰীক্ষা-নিৰীক্ষা কৰিব যাতে কামাখ্যাৰ আন্তঃগাঁথনিত কোনো ধৰণৰ অসুবিধা নহয়। ইপিনে ক'ৰিডৰ শব্দটো শুনি একাংশই ভয় খাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, ক'ৰিডৰ মানে এটা পথ ডাঙৰকৈ বনোৱা হ'ব, পথৰ ওপৰত টিনপাত দিয়া হ'ব। ইয়াৰ বাহিৰে একো পৰিৱৰ্তন নহয় বুলি মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে।০

০০০০০০০০

ৰাজ্যৰ পৰিবহন মন্ত্ৰী কেশৱ মহন্তই অসমৰ পৰা আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা সম্প্ৰসাৰণৰ বিষয়ত আজি **এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ** সৈতে এখন আলোচনা অনুষ্ঠিত হয়। এই বৈঠকত এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে গুৱাহাটীৰ পৰা অতি শীঘ্ৰে ঢাকা আৰু কাঠমাণ্ডু সংযোগী নতুন বিমান পথেৰে পোনপটীয়া বিমান সেৱা আৰম্ভ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। তদুপৰি গুৱাহাটী-ছিংগাপুৰ আৰু গুৱাহাটী-বেংকক সংযোগী বিমান সেৱা মুকলিৰ বাবেও বৈঠকত বিমান পৰিবহন সংস্থাটোৱে আগ্ৰহ দেখুওৱা বুলি পৰিবহন মন্ত্ৰী শ্ৰীমহন্তই প্ৰকাশ কৰে।

০০০০০০০০

সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙাত তৎপৰতা বৃদ্ধি পোৱাৰ লগতে প্ৰতিটো বিভাগ সষ্টম হৈ উঠিছে। যিকোনো মুহূৰ্ততে উদ্ভৱ হ'ব পৰা বান পৰিস্থিতিৰ বাবে কঁহৰাস্থিত ৰাজ্যিক পশু চিকিৎসালয় সাজু হৈ আছে। চিকিৎসালয়খনে আজি হেল্পলাইন নম্বৰ আৰু বিশেষ বাহন মুকলি কৰিছে। বিপদত পৰা বন্যপ্ৰাণী দেখিলেই ১৯৬২ নম্বৰত ফোন কৰিলে বন্যাৰ্ত জীৱৰ ওচৰত পশুধন সাৰথি নামৰ বাহনখন উপস্থিত হ'ব বুলি চিকিৎসালয় কৰ্তৃপক্ষই জানিবলৈ দিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পশু চিকিৎসক বিশ্বজিৎ বৰুৱাই ৰাইজৰ সহযোগিতা আহ্বান কৰি কৈছে যে বিপদত পৰা বন্যপ্ৰাণী দেখিলে উদ্ধাৰৰ ক্ষেত্ৰত ৰাইজে নিজে চেষ্টা নকৰি বন বিভাগ আৰু পশু চিকিৎসা বিভাগক খবৰ দিয়ে যেন। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ নৱতম সংযোজন পশুধন সাৰথিয়ে পোন প্ৰথমবাৰৰ বাবে এইবাৰৰ বানত সেৱা আগবঢ়াব। বাহনখনত এজন চিকিৎসক নিয়োজিত কৰা হৈছে।

০০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোড মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষ, জাগীৰোড মহাবিদ্যালয় ছাত্ৰ একতা সভা, য়ুথ ৰেড ক্ৰছ এছোচিয়েচনৰ উদ্যোগত আজি জাগীৰোডত ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। গুৱাহাটীৰ ডাঃ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ সহযোগত জাগীৰোড মহাবিদ্যালয়ত আয়োজন কৰা এই শিবিৰত কেইবাগৰাকীও ব্যক্তিয়ে ৰক্তদান কৰে। এই শিবিৰত জাগীৰোডৰ আন আন কেইবাটাও সংগঠনে সহযোগিতা আগবঢ়াইছে।

০০০০০০০০

মাজুলী জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আৰু বৰগুৰি যোৰবিল ৰূপজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয় আৰু জেংৰাই বালিচাপৰি ৰংগমঞ্চৰ কৰ্মকৰ্তাৰ সহযোগত শিশু সুৰক্ষাৰ সন্দৰ্ভত কালি দুখনকৈ সজাগতা সভা অনুষ্ঠিত হয়। সভাত মাজুলী জিলাৰ সহকাৰী আয়ুক্ত তথা জিলা শিশু সুৰক্ষা বিষয়া আৰু কেইবাগৰাকীও সমাজকৰ্মী উপস্থিত থাকে।

০০০০০০০০

মৰিগাঁও জিলা সমগ্ৰ শিক্ষা অভিযান আঁচনিৰ অধীনত আজিৰে পৰা মৰিগাঁও টাউন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে নডেল শিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ ৮জন প্ৰশিক্ষকে তিনি শতাধিক প্ৰাথমিক শিক্ষকক ছাত্ৰ-ছাত্ৰীৰ তিনি-খলপীয়া পাঠদান সম্পৰ্কত এই প্ৰশিক্ষণ প্ৰদান কৰিছে। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি সমগ্ৰ শিক্ষা অভিযানৰ প্ৰকল্প বিষয়া ৰুহিনী দত্তই তিনি-তৰপীয়া প্ৰশিক্ষণৰ জৰিয়তে শিক্ষকসকলে পাঠদানৰ সময়ত হাতত ল'বলগীয়া ব্যৱস্থাৱলী ব্যাখ্যা কৰে।

০০০০০০০০

ঃসমাপ্তঃ